# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-05-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ষষ্ঠ পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি সামৰণি পৰিব। এইটো পৰ্যায়ত অহা ২৫ মে'ত ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৫৮টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০টা, জম্মু আৰু কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে।

উল্লেখযোগ্য যে ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৫৮টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৮৮৯ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। পৰহিলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব।

আজি প্ৰচাৰৰ অন্তিম দিনা প্ৰধান ৰাজনৈতিক দলৰ নেতা আৰু প্ৰাৰ্থীসকলে সমষ্টিসমূহৰ ভোটদাতাৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলায়। ইফালে, লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবেও প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

দিল্লীতো লোকসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে। দিল্লীৰ সাতোখন আসনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। ৰাজনৈতিক দলসমূহে ৰোড শ্ব', নিৰ্বাচনী সভা আৰু ঘৰে ঘৰে গৈ চলোৱা প্ৰচাৰৰ জৰিয়তে ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলাইছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে আজি পশ্চিম দিল্লী লোকসভা সমষ্টিৰ দ্বাৰকাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। দলীয় প্ৰাৰ্থীৰ সমৰ্থনত দিয়া ভাষণত তেওঁ কয় যে, ভাৰতবৰ্ষই ৰামৰাজ্যৰ উত্থান দেখিবলৈ পোৱাটো নিশ্চিত আৰু ইয়াত কোনেও প্ৰতিহত কৰিব নোৱাৰে। দলৰ আন এগৰাকী জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলেও পশ্চিম দিল্লীৰ নজফগড় এলেকাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। আনহাতে, বিজেপি নেত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে চান্দনী চ'ক সংসদীয় সমষ্টিৰ অশোক বিহাৰ এলেকাত এটা ৰোড শ্ব'ত ভাগ লোৱাৰ বিপৰীতে দলটোৰ নেতা ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই উত্তৰ-পশ্চিম দিল্লীৰ সংসদীয় সমষ্টিৰ ৰোহিণী এলেকাত ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে আজি উত্তৰ-পূব দিল্লীৰ সংসদীয় সমষ্টিৰ দিলশ্বাদ গাৰ্ডেন এলেকাৰ এখন নিৰ্বাচনী সভাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত ভাগ লয়। সভাখনত ভাষণ দি তেওঁ বিজেপি নেতৃত্বাধীন চৰকাৰখনক সমালোচনা কৰি কয় যে এই চৰকাৰখনে দৰিদ্ৰতা আৰু অসমতাক দীৰ্ঘস্থায়ী কৰিবলৈ বিচাৰিছে। চৰকাৰখনে সৰ্বসাধাৰণৰ বাবে নহয়, বৰঞ্চ নিৰ্দিষ্ট একাংশ বৃহৎ ব্যৱসায়ীৰ হৈহে কাম কৰা বুলি তেওঁ অভিযোগ কৰে। নিবনুৱা সমস্যাৰ বাবে দেশৰ যুৱ সম্প্ৰদায় বেয়া ধৰণে ক্ষতিগ্ৰস্ত হৈছে বুলিও নেতাগৰাকীয়ে দাবী কৰে। একেদৰে আম আদমী পাৰ্টীৰ শীৰ্ষ নেতাসকলেও দলীয় প্ৰাৰ্থীৰ হকে ৰোড শ্ব'কে ধৰি বিভিন্ন ধৰণে প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে।

ওড়িশাতো ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৬টা লোকসভা আৰু ৪২টা বিধানসভা সমষ্টিৰ বাবে আজি প্ৰচাৰ অভিযান তুংগত উঠা পৰিলক্ষিত হয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়ানাৰ ভিৱানী-মহেন্দ্ৰগড়ত দলৰ হৈ প্ৰচাৰ চলায়। শ্ৰীমোদীয়ে আজি পাঞ্জাবৰ পাটিয়ালা চহৰতো নিৰ্বাচনী সভাক সম্বোধন কৰে। নিজৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে দেশৰ ১৪০ কোটি ভাৰতীয় এন ডি এ চৰকাৰৰ প্ৰগতিকামী পদক্ষেপসমূহ উপলব্ধি কৰিছে বুলি মন্তব্য কৰে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ওড়িশাৰ ছম্বলপুৰ আৰু চম্পুৱাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

০০০০০

মহাপুৰুষ মাধৱদেৱ স্থাপিত বৰপেটাৰ সুন্দৰীদিয়া সত্ৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ ৫৩৫ সংখ্যক আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে। আজি ধৰ্ম ধ্বজা উত্তোলন, গছপুলি ৰোপণ, ভাগৱত পাঠ, কীৰ্তন ঘোষা পাঠ কৰাৰ লগতে খোল বাদন লোকগীত আৰু বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ হ'বলগীয়া ধৰ্মালোচনা সভাত সুন্দৰীদিয়া সত্ৰই প্ৰতিবছৰে প্ৰদান কৰা মাধৱদেৱ বঁটা ৰামৰায়কুঠি সত্ৰৰ সত্ৰাধিকাৰ জীতেন্দ্ৰ নাথ প্ৰধানীক প্ৰদান কৰা হ'ব। মহাপুৰুষজনাৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰটো কাইলৈ মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হ'ব।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কাইলৈ হ'বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। এই খেলখনত জয়লাভ কৰা দলটো দেওবাৰে ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰাজস্থান ৰয়েলছে যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক এলিমিনেটৰ খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক চাৰি উইকেটত পৰাস্ত কৰে।

০০০০০

গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত ৰাজ্যখনৰ বিভিন্ন ঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ আৰু বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। আনহাতে ২৬ মে' দেওবাৰে ৰাজ্যখনৰ দুই এঠাইত ঘণ্টাত ৩০ৰ পৰা ৪০ কিলোমিটাৰ বেগেৰে ধুমুহা আৰু ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে সোমবাৰেও ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত